# 2017

## ASSAMESE

( Major )

Paper : 5.6

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। উত্তৰ লিখা (যি কোনো সাতটা) : ১×৭=৭

(ক) *A Course in Modern Linguistics* নামৰ গ্ৰন্থখনৰ প্ৰণেতা কোন ?

(খ) ইণ্ডো-ইউৰোপীয় ভাষা পৰিয়ালক 'কেন্টুম আৰু সতম' নামেৰে কোনে প্ৰথমে বিভাজন কৰে ?

(গ) এস্কিমো ভাষা পৰিয়ালৰ ভাষাসমূহ পৃথিৱীৰ কোন অঞ্চলত প্ৰচলিত ?

(ঘ) কি শ্ৰেণীৰ ভাষাত বাক্যত শব্দবোৰৰ স্থান অনুযায়ী ভিন্ন অৰ্থ হয় ?

(ঙ) এছ্‌পিৰেন্টো নামৰ কৃত্ৰিম ভাষাটোত মুঠতে কেইটা মৌলিক সূত্ৰ আছে ?

(চ) ১৭৮৬ চনত এছিয়াটিক ছোছাইটিত কোনে গ্ৰীক আৰু লেটিনৰ সংস্কৃতৰ লগত ঘনিষ্ঠ সম্পৰ্ক আছে বুলি মন্তব্য কৰিছিল ?

(ছ) বড়ো ভাষাটো কোন ভাষা পৰিয়ালৰ অন্তৰ্গত ?

(জ) ব্ৰিটেনত প্ৰথমতে কোনটো শাখাৰ ভাষা চলিছিল ?

(ঝ) ঋক্‌বেদৰ প্ৰাচীনতম কবিতাবোৰৰ ৰচনাকাল কেতিয়াৰ বুলি অনুমান কৰা হৈছে ?

২। চমু উত্তৰ লিখা (যি কোনো চাৰিটা) : ২×৪=৮

(ক) বৌদ্ধ-সংস্কৃত ভাষা বুলিলে কি বুজা ?

(খ) ভাৰতবৰ্ষত প্ৰচলিত যি কোনো দুটা ভাষা পৰিয়ালৰ নাম লিখা।

(গ) ভাষাৰ উৎপাদনশীলতা বুলিলে কি বুজা ?

(ঘ) জিপছী ভাষা সম্পৰ্কে চমুকৈ লিখা।

(ঙ) আৰ্য ভাষাৰ অন্তৰঙ্গ আৰু বহিৰঙ্গ বিভাগ সম্পৰ্কে চমুকৈ আলোচনা কৰা।

(চ) শব্দাৰ্থ পৰিবৰ্তনৰ চাৰিটা কাৰণ উল্লেখ কৰা।

৩। চমু টোকা লিখা (যি কোনো তিনিটা) : ৫×৩=১৫

(ক) মিশ্ৰভাষা

(খ) ভাষাৰ মান্যতা প্ৰাপ্তিৰ কাৰ্য প্ৰক্ৰিয়া

(গ) গুপ্তভাষা

(ঘ) ভাষাৰ ধ্বনি পৰিবৰ্তনত সামাজিক আৰু ৰাজনৈতিক প্ৰভাৱ

(ঙ) মনো-ভাষাবিজ্ঞান

৪। (ক) পৃথিৱীৰ ভাষাসমূহক কি কি প্ৰকাৰে বৰ্গীকৰণ কৰিব পাৰি? ভাষাৰ আকৃতিমূল বৰ্গীকৰণ সম্পৰ্কে উদাহৰণসহ বহলাই আলোচনা কৰা। ৩+৭=১০

*অথবা*

(খ) পৃথিৱীৰ ভাষাসমূহক কি কি পৰিয়ালত বিভক্ত কৰা হৈছে? ইয়াৰে চীন-তিব্বতীয় ভাষা পৰিয়ালৰ তিব্বত-বৰ্মী শাখাৰ অন্তৰ্গত অসম-বৰ্মী উপশাখাৰ ভাষাসমূহৰ পৰিচয়মূলক আলোচনা দাঙি ধৰা। ২+৮=১০

৫। (ক) জাতি, সমাজ আৰু সংস্কৃতিৰ সংজ্ঞা নিৰূপণ কৰি ভাষাৰ সৈতে এইবোৰৰ সম্পৰ্ক বিচাৰ কৰা। ১০

*অথবা*

(খ) আন্তঃৰাষ্ট্ৰীয় ভাষা বুলিলে কি বুজা? আন্তঃৰাষ্ট্ৰীয় ভাষা কি কি প্ৰকাৰৰ হ'ব পাৰে? কৃত্ৰিম আন্তঃৰাষ্ট্ৰীয় ভাষা কেনে ধৰণৰ হোৱা উচিত? পৃথিৱীৰ এটা প্ৰধান কৃত্ৰিম আন্তঃৰাষ্ট্ৰীয় ভাষা সম্পৰ্কে বহলাই লিখা। ১+১+২+৬=১০

৬। (ক) ভাষাৰ পৰিবৰ্তনৰ ঘাই কাৰণ দুটা কি কি? ভাষাৰ অন্তৰ্বৰ্তী পৰিবৰ্তন কোনটো কাৰণত সংঘটিত হয়? ভাষাৰ এই পৰিবৰ্তনৰ লগত জড়িত গ্ৰীম নিয়ম সম্পৰ্কে উদাহৰণসহ আলোচনা কৰা। ১+১+৮=১০

অথবা

(খ) তলত দিয়া যি কোনো চাৰিটা ধ্বনি পৰিবৰ্তনৰ বিষয়ে চমু টোকা লিখা : $২\frac{১}{২}\times ৪=১০$

স্বৰ সমীভৱন ; সমাক্ষৰ লোপ ; মধ্য স্বৰাগম ; অপিনিহিতি ; স্বতঃ নাসিক্যভৱন ; সঘোষীভৱন ; মহাপ্ৰাণীভৱন।

★★★

# 2 0 1 7

## ECONOMICS

( Major )

Paper : 5.4

**( International Trade : Theory and Policy )**

*Full Marks : 60*

*Time : 3 hours*

*The figures in the margin indicate full marks for the questions*

*Answer either in English or in Assamese*

**1.** Answer the following questions : 1×7=7

তলৰ প্ৰশ্নসমূহৰ উত্তৰ লিখা :

(a) When does Heckscher-Ohlin theory hold good?

হেক্সাৰ-অ'লিন তত্ত্বটি কেতিয়া কাৰ্যকৰী হয় ?

(b) Mention any one protective device.

সংৰক্ষণৰ যি কোনো এটি কৌশল উল্লেখ কৰা।

(c) What happens if the cost difference is the same in two countries?

দুখন দেশৰ ব্যয়ৰ পাৰ্থক্য একে হ'লে কি হয় ?

২। চমুকৈ উত্তৰ লিখা : ২×৪=৮

(ক) বৌদ্ধ ধৰ্মৰ চতুৰাৰ্য সত্য কি কি?

(খ) 'কৰ্পূৰমঞ্জৰী'ৰ উপৰিও ৰাজশেখৰে ৰচনা কৰা দুখন নাটকৰ নাম লিখা।

(গ) ক্ৰান্তিস্তৰৰ প্ৰাকৃত বুলিলে কি বুজা?

(ঘ) 'অপ্‌পমাদ' শব্দৰ অৰ্থ কি?

৩। যি কোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখা : ৫×৩=১৫

(ক) সংস্কৃত নাটকৰ ভাষিক বৈচিত্ৰ্য সম্পৰ্কে 'অভিজ্ঞানশকুন্তলম্' নাটকৰ আধাৰত বিশ্লেষণ কৰা।

(খ) 'সন্দেশৰাসক' কাব্যখনৰ নামৰ সাৰ্থকতা বিচাৰ কৰা।

(গ) 'প্ৰাকৃত' নামৰ তাৎপৰ্য ব্যাখ্যা কৰা।

(ঘ) 'ধম্মপদ'ত বৌদ্ধ ধৰ্মৰ আদৰ্শ কেনেদৰে প্ৰতিফলিত হৈছে? তোমাৰ পাঠ্যৰ আধাৰত বিচাৰ কৰা।

(ঙ) অবহট্‌ঠ ভাষাৰ ভাষিক বৈশিষ্ট্য লিখা।

৪। যি কোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখা : ১০×৩=৩০

(ক) সট্টক ৰূপে 'কৰ্পূৰমঞ্জৰী' বিচাৰ কৰাৰ লগতে নাটকখনৰ ভাষা সম্পৰ্কেও আলোচনা কৰা।

(খ) মহাৰাষ্ট্ৰী প্ৰাকৃতক আদৰ্শ প্ৰাকৃত বোলাৰ কাৰণ কি? ইয়াৰ ভাষিক বৈশিষ্ট্যসমূহ বিশ্লেষণ কৰা।

(গ) ভাৰতীয় আৰ্যভাষাৰ কোনটো স্তৰক 'প্ৰাকৃত' নামেৰে অভিহিত কৰা হৈছে? এই স্তৰৰ ভাষাগত বিশেষত্ব বিচাৰ কৰা।

(ঘ) অৱহট্‌ঠ সাহিত্যৰ শ্ৰেণীবিভাজন কৰি 'সন্দেশৰাসক'ৰ স্থিতি নিৰ্ণয় কৰা আৰু গ্ৰন্থখনৰ বিষয়বস্তু আলোচনা কৰা।

(ঙ) পালি আৰু প্ৰাকৃত ভাষাৰ এটি তুলনামূলক আলোচনা দাঙি ধৰা।

★★★

# 2017

## ASSAMESE

## ( Major )

Paper : 5.2

( পুৰণি অসমীয়া কথাসাহিত্য )

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমুকৈ উত্তৰ লিখা : ১×৭=৭

(ক) ৰুক্মিণীয়ে কৃষ্ণলৈ দিয়া পত্ৰখন কোনে পাঠ কৰিছিল ?

(খ) ত্ৰিপুৰাৰ মদন পূজাৰ অধিবাস কি তিথিত অনুষ্ঠিত হৈছিল ?

(গ) 'স্বৰ্গদেৱ ৰুদ্ৰসিংহ' পাঠত উল্লেখ থকা কছাৰী ৰজাজনৰ নাম লিখা।

(ঘ) ব্ৰাউন চাহাবৰ পত্ৰখন কোন স্থানৰ পৰা লিখা হৈছিল ?

(ঙ) 'কথাগীতা'ৰ কোনটো অধ্যায়ক 'বিষাদ যোগ' বুলি কোৱা হৈছে ?

(চ) প্ৰতিবিন্ধ্য কোন আছিল ?

(ছ) 'বুৰ পালে' কথাষাৰৰ অৰ্থ কি ?

২। চমুকৈ উত্তৰ লিখা : ২×৪=৮

(ক) "মহাপুৰুষৰ মই কি মহিমা কহিবো অল্পমতি ব্ৰাহ্মণ ছৱাল ছুয়া।" ইয়াত 'মহাপুৰুষ' আৰু 'ব্ৰাহ্মণ ছৱাল' বুলি কাৰ কাৰ কথা কোৱা হৈছে?

(খ) "ভৰতক লাগি প্ৰাণকো দিতে পাৰোঁ।" কোনে, কাক কৈছে?

(গ) 'ৰামৰ বনগমন' পাঠটোৰ কাহিনীভাগ কোনে, কাক কৈ থকা বুলি লেখকে দেখুৱাইছে?

(ঘ) তলৰ শব্দ দুটাৰ অৰ্থ লিখা :

পেখি ; সেব্য।

৩। যি কোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখা : ৫×৩=১৫

(ক) 'কথাগীতা'ৰ প্ৰথম অধ্যায়ৰ আধাৰত কুৰুক্ষেত্ৰ যুদ্ধৰ আৰম্ভণিৰ ঘটনাৱলীৰ এটা চমু বৰ্ণনা দাঙি ধৰা।

(খ) "পৰমাৰ্থত জন্ম মৰণ নাই নিমিত্তে শোক নকৰিবা।" কথাষাৰ আলোচনা কৰা।

(গ) 'শ্ৰীকৃষ্ণৰ পূৰ্বৰাগ' অধ্যায়ৰ আধাৰত কৃষ্ণৰ চৰিত্ৰটি বিশ্লেষণ কৰা।

(ঘ) অসমীয়া গদ্য-সাহিত্যৰ বিকাশত ভট্টদেৱৰ স্থান নিৰূপণ কৰা।

(ঙ) তোমাৰ পাঠ্যৰ ভিত্তিত বুৰঞ্জীৰ গদ্যৰ বিষয়ে এটি টোকা যুগুত কৰা।

৪। উত্তৰ লিখা :

(ক) ‘ৰামৰ বনগমন’ পাঠৰ পৰা যথোচিত উদাহৰণ দি ‘কথা-ৰামায়ণ’ৰ গদ্যশৈলীৰ বিষয়ে আলোচনা কৰা। ১০

*নাইবা*

ত্ৰিপুৰাৰ মদনপূজা উপলক্ষ্যে ৰজাই পৰিধান কৰা পোচাক আৰু অলংকাৰৰ এটি বিৱৰণ দিয়া।

(খ) তোমাৰ পাঠ্যপুথিৰ আলমত বুৰঞ্জী-লেখকৰ বস্তুনিষ্ঠ পৰ্যবেক্ষণ তথা নিৰপেক্ষতা সম্পৰ্কে এটি আলচ আগবঢ়োৱা। ১০

*নাইবা*

নাথান ব্ৰাউনৰ পত্ৰখনত ব্ৰাউনৰ অসমপ্ৰেম কেনেদৰে প্ৰতিফলিত হৈছে, বিশ্লেষণ কৰা।

(গ) নাটকীয় গদ্যৰ লেখক হিচাপে শংকৰদেৱৰ গদ্যৰ বিশেষত্বসমূহ আলোচনা কৰা। ১০

*নাইবা*

‘গুৰু-সেৱা-মাহাত্ম্য’ পাঠৰ ভিত্তিত গুৰুৰ প্ৰকাৰ, লক্ষণ তথা গুৰুভক্তিৰ মহিমাৰ বিষয়ে লিখা।

★★★

# 2017

# ASSAMESE

## ( Modern Indian Language )

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। চমু উত্তৰ লিখা : ১×৭=৭

(ক) কমলাকান্ত ভট্টাচাৰ্য কোন যুগৰ কবি ?

(খ) লক্ষ্মীনাথ বেজবৰুৱাৰ জন্ম কোন চনত হৈছিল ?

(গ) কবি অম্বিকাগিৰিৰ এখন কবিতা-পুথিৰ নাম লিখা।

(ঘ) 'প্ৰতিমা'ৰ কবি বুলিলে কোনগৰাকী কবিক বুজা যায় ?

(ঙ) 'অচিনা' কাব্যগ্ৰন্থখনৰ ৰচক কোন ?

(চ) 'ৰাজসূয়' কাব্য কোনে ৰচনা কৰিছিল ?

(ছ) বৰগীতক 'Noble Numbers' বুলি কোনে আখ্যা দিছিল ?

২×৪=

২। চমু উত্তৰ লিখা :

(ক) “তেজৰে কমলাপতি পৰভাতে নিন্দ
তেৰি চান্দ মুখ পেখোঁ উঠৰে গোবিন্দ।”

কবিতাংশৰ অৰ্থ লিখা।

(খ) কবি হীৰেন ভট্টাচাৰ্যৰ দুখন কাব্যগ্ৰন্থৰ নাম লিখা।

(গ) ‘শৰৎ বৰ্ণনা’ কবিতাটি কোনখন গ্ৰন্থৰ পৰা অনা হৈছে? কবিতাটোত ব্যৱহৃত ছন্দটোৰ নাম লিখা।

(ঘ) মাধৱদেৱৰ বৰগীতৰ প্ৰধান ৰস কি? ‘তেজৰে কমলাপতি’ বৰগীতটিত কি ৰাগৰ ব্যৱহাৰ হৈছে?

৩। প্ৰসঙ্গ-সঙ্গতি দৰ্শাই ব্যাখ্যা কৰা (যি কোনো তিনিটা) : ৫×৩=১৫

(ক) “এনে কাৰিকৰী শিলত খটোৱা
অসভ্য আছিলনে সিজাতি সিদিন?
এই অসমৰ অসভ্য জাতিৰ
পূৰব পুৰুষ হয় বা ই চিন।”

(খ) “জীৱনে-মৰণে, শয়নে-সপোনে এই দেশৰ
আহ্বান মই শুনিছোঁ
শত্ৰু-মিত্ৰ সকলোকে মই চিনিছোঁ।
সিহঁতৰ অন্তৰ মই বিশ্বাসেৰে জিনিছোঁ।”

(গ) “আমাৰ আছে মানুহৰ ওপৰত বিশ্বাস
আমাৰ আছে ভৱিষ্যতৰ সুস্থ ৰঙা সূৰ্য্যৰ পিনে চকু।”

(ঘ) "পৰ্বতৰ জীয়ৰী সুন্দৰী গৌৰীৰ
গীতত মোৰ মালতী নাই
সুগন্ধা ফুলটিৰ মুকুলা কলিটিৰ
মালতীৰ তুলনা পায় ।"

(ঙ) "তোমাৰ অনাত সূৰ্যৰ তাপত
কমাৰৈ মৰমো অপাৰ ।
যেন মহা দুখী কুটিৰি মনুষ্যো
দুখৰ নেদেখে পাৰ ॥"

৪। নিম্নলিখিত প্ৰশ্নসমূহৰ উত্তৰ লিখা (যি কোনো তিনিটা) : ১০×৩=৩০

(ক) হীৰেন ভট্টাচাৰ্যৰ 'মোৰ দেশ' কবিতাত দেশসেৱাৰ মনোভাব কিদৰে ফুটি উঠাইছিল, চমুকৈ লিখা ।

(খ) অমূল্য বৰুৱাৰ 'বিপ্লৱী' কবিতাটোত কবিৰ বৈষম্য আৰু নিষ্পেষণৰ প্ৰতিকাৰ বিচৰা মনোভাব কিদৰে প্ৰতিবিম্বিত হৈছে, আলোচনা কৰা ।

(গ) ৰোমান্টিক কবিতা হিচাপে 'মালতী' অথবা 'নিয়ৰ' কবিতাৰ এটি পৰ্যালোচনা আগবঢ়োৱা ।

(ঘ) অসমৰ অতীত গৌৰৱ পাহৰণিৰ গৰ্ভত জাহ যাব ধৰা দেখি কবিৰ মনত উদ্ভৱ হোৱা মনোবেদনা 'পাহৰণি' কবিতাটোত কিদৰে প্ৰকাশ কৰিছে, আলোচনা কৰা ।



( Turn Over )

(ঙ) মাধৱদেৱৰ বৰগীতত প্ৰকাশিত বাৎসল্য প্ৰেমৰ নিদৰ্শন 'তেজৰে কমলাপতি' বৰগীতটোত কিদৰে পৰিস্ফুট হৈছে, আলোচনা কৰা।

(চ) 'শৰৎ বৰ্ণনা' কবিতাটোত শৰৎকালৰ প্ৰকৃতিৰ মনোৰম ৰূপ কবিয়ে কিদৰে বৰ্ণনা কৰিছে, তোমাৰ ভাষাত লিখা।

★★★

# 2017

## ASSAMESE

( Elective )

Paper : 5.1

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমুকৈ উত্তৰ দিয়া : ১×১০=১০

(ক) চৰ্যাপদসমূহ কোনখন মূল গ্ৰন্থৰ পৰা সংগৃহীত ?

(খ) শ্ৰীধৰ কন্দলি কোন সময়ৰ কবি ?

(গ) 'চিত্ৰলেখাৰ পট নিৰ্মাণ' কবিতাটোৰ আধাৰ-গ্ৰন্থ কি ?

(ঘ) অসমীয়া কাব্যজগতত 'বধকাব্যৰ কবি' ৰূপে কোনগৰাকী কবি পৰিচিত ?

(ঙ) 'ৰংপুৰ নগৰৰ বৰ্ণনা' শীৰ্ষক কবিতাটোৰ কবি কোন ?

(চ) ৰঘুনাথ চৌধাৰী ৰচিত এখন কাব্যপুথিৰ নাম লিখা।

*( Turn Over )*

(ছ) অসমীয়া 'কথা-কবিতা'ৰ জনক কোন ?

(জ) 'সপোনৰ সুৰ' আৰু 'সন্ধিয়াৰ সুৰ' কাব্যগ্ৰন্থ দুখনৰ ৰচক কোন ?

(ঝ) 'আমি দুৱাৰ মুকলি কৰোঁ' শীৰ্ষক ছবিখনৰ চিত্ৰকৰজনৰ নাম কি ?

(ঞ) ড. নিৰ্মলপ্ৰভা বৰদলৈয়ে কোনখন কাব্যগ্ৰন্থৰ বাবে 'সাহিত্য অকাডেমি বঁটা' লাভ কৰিছিল ?

২। চমুকৈ উত্তৰ দিয়া : ২×৫=১০

(ক) কামৰূপৰ দুগৰাকী চৰ্যাকাৰৰ নাম লিখা।

(খ) শংকৰদেৱৰ 'নন্দোৎসৱ' কবিতাটোৰ আধাৰ-গ্ৰন্থ কি ? কবিতাটোত কোনে শ্ৰীকৃষ্ণৰ জন্মকেন্দ্ৰিক উৎসৱৰ বৰ্ণনা দাঙি ধৰিছে ?

(গ) চিত্ৰলেখাই কাৰ আগত আৰু কিমান দিনৰ ভিতৰত পট নিৰ্মাণ কৰি দেখুওৱাৰ প্ৰতিশ্ৰুতি দিছে ?

(ঘ) 'পৰম তৃষ্ণা' কবিতাটোত কবিয়ে কিহৰ তৃষ্ণাৰ ইংগিত দিছে ?

(ঙ) 'পলস' কবিতাটোত কি কি বনত মানৰ দিনৰ অতীত বহাগৰ ধুমুহাৰ সপোন সৰি যোৱা বুলি কবিয়ে উল্লেখ কৰিছে ?

৩। যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ কৰা : ৫×৪=২০

(ক) "কাআ তৰুবৰ পঞ্চবি ডাল।
চঞ্চল চীএ পইঠো কাল॥"

উদ্ধৃত কবিতাংশ ক'ৰ পৰা লোৱা হৈছে? গছ আৰু ডালৰ সৈতে কিহৰ তুলনা দাঙি ধৰা হৈছে, বুজাই লিখা।

(খ) 'নন্দোৎসৱ' কবিতাটোত উল্লেখ থকা মতে পুত্ৰ উপজাৰ পাছত নন্দই কি কি কাৰ্য সম্পাদন কৰিছে, বৰ্ণনা কৰা।

(গ) 'ৰংপুৰ নগৰৰ বৰ্ণনা' কবিতাটোত ৰংপুৰ নামটো হোৱাৰ কাৰণ কবিয়ে কি বুলি উল্লেখ কৰিছে, ব্যাখ্যা কৰা।

(ঘ) 'সোণোৱালী দেশ' কবিতাটোৰ মূল ভাব নিজৰ ভাষাত লিখা।

(ঙ) দেৱকান্ত বৰুৱাৰ 'আমি দুৱাৰ মুকলি কৰোঁ' কবিতাটোত 'দুৱাৰ'ক কিহৰ প্ৰতীক হিচাপে কবিয়ে উপস্থাপন কৰিব বিচাৰিছে, তোমাৰ যুক্তি আগবঢ়োৱা।

৪। তলৰ চাৰিটা প্ৰশ্নৰ উত্তৰ কৰা : ১০×৪=৪০

(ক) লুইপাদৰ চমু পৰিচয় দাঙি ধৰি ১নং চৰ্যাপদটোৰ সাহিত্যিক সৌন্দৰ্য বিশ্লেষণ কৰা।

অথবা

শ্ৰীধৰ কন্দলিৰ 'কাণখোৱা' কবিতাটোত শ্ৰীকৃষ্ণই মাতৃ যশোদাৰ আগত কাণখোৱাৰ প্ৰতি কেনেদৰে ভয় ব্যক্ত কৰিছে, বহলাই লিখা।

(খ) সখীয়েক উষাই সপোনত দেখা স্বামীক চিনাক্ত কৰিবলৈ চিত্ৰলেখাই কাৰ কাৰ ছবি অঙ্কন কৰিছে, বৰ্ণনা কৰা।

*অথবা*

ধৃতৰাষ্ট্ৰ আৰু বিদুৰ কোন ? পাণ্ডুৱৰ বনবাসত আনন্দ প্ৰকাশ কৰা ধৃতৰাষ্ট্ৰক বিদুৰে কি পৰামৰ্শ আগবঢ়াইছে, বুজাই লিখা।

(গ) ৰোমান্টিক কবিতাৰ কি কি বৈশিষ্ট্য 'কেতেকী' কবিতাটোত প্ৰকাশ পাইছে, আলোচনা কৰা।

*অথবা*

'পৰম তৃষ্ণা' কবিতাটোত কবি নলিনীবালা দেৱীয়ে পৃথিৱীখনক কেতিয়াৰ চিনাকি বুলি উল্লেখ কৰিছে ? তেওঁ এই পৃথিৱীলৈ বাৰে বাৰে কিয় উভতি আহিছে, বহলাই আলোচনা কৰা।

(ঘ) 'পলস' কবিতাটোত কবি নৱকান্ত বৰুৱাই অতীত আৰু বৰ্তমান যুগৰ সমন্বয়-সাধনৰ ছবি কেনেদৰে অংকন কৰিছে, বৰ্ণনা কৰা।

*অথবা*

সাম্প্ৰতিক কবিতা বুলিলে কি বুজা ? নিৰ্মলপ্ৰভা বৰদলৈৰ 'দ্ৰৌপদী' কবিতাটোত সাম্প্ৰতিক কবিতাৰ কি কি বৈশিষ্ট্য প্ৰকাশ পাইছে, আলোচনা কৰা।

★★★

# 2017

## ELECTIVE ASSAMESE

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। চমু উত্তৰ দিয়া : ১×৭=৭

(ক) বিহুগীত আৰু বিহুনামৰ মাজৰ এটি পাৰ্থক্য উল্লেখ কৰা।

(খ) 'কমলা কুঁৱৰীৰ গীত' লোক-সাহিত্যৰ কোন শ্ৰেণীত পৰে?

(গ) 'সাত্যকি প্ৰৱেশ' কোন কবিৰ ৰচনা?

(ঘ) বৈষ্ণৱসকল কাৰ উপাসক?

(ঙ) বৈষ্ণৱসকলে ব্যৱহাৰ কৰা কৃত্ৰিম সাহিত্যিক ভাষাটোৰ নাম কি?

(চ) ব্ৰাহ্মীলিপিৰ নাম কিয় ব্ৰাহ্মী ৰখা হৈছে?

(ছ) অসমীয়া প্ৰচীনতম লিপিখনৰ নাম কি?

(খ) সখীয়েক উষাই সপোনত দেখা স্বামীক চিনাক্ত কৰিবলৈ চিত্ৰলেখাই কাৰ কাৰ ছবি অঙ্কন কৰিছে, বৰ্ণনা কৰা।

অথবা

ধৃতৰাষ্ট্ৰ আৰু বিদুৰ কোন? পাণ্ডৱৰ বনবাসত আনন্দ প্ৰকাশ কৰা ধৃতৰাষ্ট্ৰক বিদুৰে কি পৰামৰ্শ আগবঢ়াইছে, বুজাই লিখা।

(গ) ৰোমান্টিক কবিতাৰ কি কি বৈশিষ্ট্য 'কেতেকী' কবিতাটোত প্ৰকাশ পাইছে, আলোচনা কৰা।

অথবা

'পৰম তৃষ্ণা' কবিতাটোত কবি নলিনীবালা দেৱীয়ে পৃথিৱীখনক কেতিয়াৰ চিনাকি বুলি উল্লেখ কৰিছে? তেওঁ এই পৃথিৱীলৈ বাৰে বাৰে কিয় উভতি আহিছে, বহলাই আলোচনা কৰা।

(ঘ) 'পলস' কবিতাটোত কবি নৱকান্ত বৰুৱাই অতীত আৰু বৰ্তমান যুগৰ সমন্বয়-সাধনৰ ছবি কেনেদৰে অংকন কৰিছে, বৰ্ণনা কৰা।

অথবা

সাম্প্ৰতিক কবিতা বুলিলে কি বুজা? নিৰ্মলপ্ৰভা বৰদলৈৰ 'দ্ৰৌপদী' কবিতাটোত সাম্প্ৰতিক কবিতাৰ কি কি বৈশিষ্ট্য প্ৰকাশ পাইছে, আলোচনা কৰা।

★ ★ ★

# 2017

## ELECTIVE ASSAMESE

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। চমু উত্তৰ দিয়া : ১×৭=৭

(ক) বিহুগীত আৰু বিহুনামৰ মাজৰ এটি পাৰ্থক্য উল্লেখ কৰা।

(খ) 'কমলা কুঁৱৰীৰ গীত' লোক-সাহিত্যৰ কোন শ্ৰেণীত পৰে?

(গ) 'সাত্যকি প্ৰৱেশ' কোন কবিৰ ৰচনা?

(ঘ) বৈষ্ণৱসকল কাৰ উপাসক?

(ঙ) বৈষ্ণৱসকলে ব্যৱহাৰ কৰা কৃত্ৰিম সাহিত্যিক ভাষাটোৰ নাম কি?

(চ) ব্ৰাহ্মীলিপিৰ নাম কিয় ব্ৰাহ্মী ৰখা হৈছে?

(ছ) অসমীয়া প্ৰাচীনতম লিপিখনৰ নাম কি?

২। চমু টোকা লিখা (যি কোনো চাৰিটা) : ২×৪=৮

(ক) লোক-জীৱন

(খ) চৰ্য্যাগীতিকোষবৃত্তি

(গ) ৰাজসূয় কাব্য

(ঘ) শূন্য-পুৰাণ

(ঙ) খৰোষ্ঠী লিপি

(চ) ভাৱাইয়া

৩। চমু উত্তৰ দিয়া (যি কোনো তিনিটা) : ৫×৩=১৫

(ক) লোক-নাট্য বুলিলে কি বুজা ?

(খ) 'প্ৰহ্লাদ-চৰিত'ৰ বিষয়বস্তু কি ?

(গ) আলৱাৰসকলৰ বৈষ্ণৱ ভক্তিৱাদ সম্পৰ্কে আলোচনা কৰা।

(ঘ) 'যক্ষগান' আৰু 'ভাৱীগান'ৰ বিষয়ে এটি টোকা লিখা।

(ঙ) নগাজৰী খনিকৰ গাঁও প্ৰস্তৰখণ্ড লিপিৰ বিষয়ে এটি চমু আলোচনা আগবঢ়োৱা।

৪। (ক) অসমীয়া লোক-সাহিত্যৰ মূল বিষয়বস্তু কি? লোক-সাহিত্যক প্ৰকৃত সাহিত্যৰ অন্তৰ্ভুক্ত কৰিব পাৰি নে নোৱাৰি, আলোচনা কৰা। ১০

অথবা

(খ) 'বভ্ৰুবাহনৰ যুদ্ধ' আৰু 'তাম্ৰধ্বজৰ যুদ্ধ' কাব্যত ভক্তিৰস কিদৰে নিঃসৃত হৈছে, আলোচনা কৰা।

৫। (ক) " 'থলুৱা, দেশী আৰু সংস্কৃত' এই ত্ৰিধাৰাৰ সংমিশ্ৰণত অংকীয়া নাটৰ জন্ম।" আলোচনা কৰা। ১০

অথবা

(খ) নৱ-বৈষ্ণৱধৰ্মৰ আলোকত ভক্তিধৰ্মৰ প্ৰচাৰ আৰু প্ৰসাৰ সম্পৰ্কে আলোচনা কৰা।

৬। (ক) অংকীয়া নাটৰ কলা-কৌশল সম্পৰ্কত এটি আলোচনা আগবঢ়োৱা। ১০

অথবা

(খ) চমু টোকা লিখা (যি কোনো দুটা) : ৫×২=১০

ফুল কোঁৱৰৰ গীত; শ্ৰীকৃষ্ণকীৰ্ত্তন; অংকীয়া নাটত মুখাৰ ব্যৱহাৰ; পেৰা কাকতৰ গদ্য; কায়থেলি লিপি।

★★★

# 2017

## ASSAMESE

## ( Major )

Paper : 3.2

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

তলৰ যি কোনো এটা শাখাৰ উত্তৰ লিখা

### ক—শাখা

### ( শঙ্কৰদেৱ )

১। তলৰ প্ৰশ্নবোৰৰ অতি চমু উত্তৰ লিখা : ১×১০=১০

(ক) "ভয়ংকৰ তিনি গোটা যমদূত
আগে ভৈলা উপগত"

কাৰ আগত যমদূতে দেখা দিছিল ?

(খ) যণ্ডামৰ্কই প্ৰহ্লাদক কি শাস্ত্ৰ পঢ়াইছিল ?

(গ) 'ইটো কামজয় কৃষ্ণৰ কথা' বুলি ইয়াত কিহৰ কথা কোৱা হৈছে?

(ঘ) 'ৰুক্মিণী-হৰণ কাব্য'ৰ কাহিনীভাগ ক'ৰ পৰা লোৱা হৈছে?

(ঙ) 'ৰুক্মিণী-হৰণ কাব্য'ৰ কোনটো চৰিত্ৰক লক্ষ্মীনাথ বেজবৰুৱাই 'অসমীয়াৰ ৰবৰোপা' বুলি কৈছে?

(চ) 'নাৰায়ণ কাহে ভকতি কৰু তেৰা' বৰগীতটি কি ৰাগযুক্ত?

(ছ) বৰগীতবোৰক কোনে 'Noble Numbers' বুলি কৈছিল?

(জ) "সতিনীক অভ্যুদয় দেখি কি নিমিত্তে প্ৰাণ ধৰহ।" কথাষাৰৰ বক্তা কোন?

(ঝ) মহাপুৰুষ শংকৰদেৱৰ শ্ৰেষ্ঠ নাট কোনখন?

(ঞ) ইন্দ্ৰৰ পত্নীৰ নাম কি?

২। চমু উত্তৰ লিখা :

২×৫=১০

(ক) প্ৰহ্লাদৰ পিতৃৰ নাম কি? তেওঁক কোনে বধ কৰিছিল?

(খ) শ্ৰীকৃষ্ণই কোন সময়ত আৰু কাৰ লগত ৰাসক্ৰীড়া কৰিছিল?

(গ) যুদ্ধত শ্ৰীকৃষ্ণই ৰুক্মবীৰক কিয় বধ নকৰিলে?

(ঘ) 'বৰগীত' নামটোৰ তাৎপৰ্য বিশ্লেষণ কৰা।

(ঙ) 'মধুৰ মুৰুতি মুৰাৰু' বৰগীতটিত 'ৰূপে অনংগ সংগ তুলনা' কথাষাৰে কি বুজাইছে?

৩। তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখা : ৫×৪=২০

(ক) 'সুন সুন ৰে সুৰবৈৰী' বৰগীতটিত শংকৰদেৱে কেনেদৰে যুদ্ধৰ পৰিৱেশ বৰ্ণনা কৰিছে, আলোচনা কৰা।

(খ) 'ৰুক্মিণী-হৰণ কাব্য'ৰ ধাইগৰাকীৰ নাম কি? ৰুক্মিণী-কৃষ্ণৰ বিবাহৰ পাছত তেওঁ কৃষ্ণক কি অনুৰোধ কৰিছিল, বৰ্ণনা কৰা।

(গ) 'ৰাসক্ৰীড়া' অধ্যায়ত শৰৎকালৰ ৰাতি শ্ৰীকৃষ্ণৰ মধুৰ গীত আৰু বংশীধ্বনি শুনি গোপীসকলে শ্ৰীকৃষ্ণৰ ওচৰলৈ যাওঁতে তেওঁলোকৰ কি অৱস্থা হৈছিল, বৰ্ণনা কৰা।

(ঘ) 'অজামিল উপাখ্যান'ত নামৰ মহিমা কিদৰে প্ৰকাশিত হৈছে, আলোচনা কৰা।

(ঙ) 'প্ৰহ্লাদ চৰিত' অধ্যায়ত প্ৰহ্লাদক বধ কৰিবলৈ হিৰণ্যকশিপুৰ আদেশক্ৰমে কি কি কৰা হৈছিল, বৰ্ণনা কৰা।

(চ) 'কীৰ্তনক অসমৰ মৌচাক' বুলি কোনে, কিয় কৈছিল, আলোচনা কৰা।

(ছ) 'শাৰংগপাণি পাহে' বৰগীতটিৰ বিষয়বস্তুৰ তাৎপৰ্য বিচাৰ কৰা।

( Turn Over )

৪। (ক) "ৰাসলীলা অতি পবিত্ৰ আৰু কামগন্ধহীন। ই অপ্ৰাকৃত মধুৰ প্ৰেমৰ দ্বাৰা জীৱই ভগৱন্তক পোৱাৰ আদৰ্শ।" লক্ষ্মীনাথ বেজবৰুৱাৰ এই মন্তব্যৰ আধাৰত ৰাসলীলাৰ তাৎপৰ্য আলোচনা কৰা। ১০

*অথবা*

(খ) 'কীৰ্তন'ৰ অন্তৰ্গত তোমাৰ পাঠ্য অধ্যায়কেইটাৰ আধাৰত ভক্তিতত্ত্বৰ প্ৰকাশ কেনেদৰে ঘটিছে, আলোচনা কৰা। ১০

৫। (ক) এক বিশিষ্ট সংগীতধাৰা হিচাপে বৰগীতৰ এটি পৰ্যালোচনা আগবঢ়োৱা। ১০

*অথবা*

(খ) তোমাৰ পাঠ্য বৰগীতকেইটাৰ আধাৰত শংকৰদেৱৰ বৰগীতৰ কাব্যিক সৌন্দৰ্য সম্পৰ্কে আলোচনা কৰা। ১০

৬। তলৰ যি কোনো দুটা প্ৰশ্নৰ উত্তৰ লিখা : ১০×২=২০

(ক) অংকীয়া নাটৰ বৈশিষ্ট্যসমূহ আলোচনা কৰা।

(খ) "মহাপুৰুষে এই নাটৰ চৰিত্ৰসমূহক পাৰস্পৰিক বৈপৰীত্য (contrast) আৰু সাদৃশ্য বা সমধৰ্মিতাৰ (parallelism) ভেটিত অংকন কৰিছে।" এই উক্তিৰ আধাৰত 'পাৰিজাত হৰণ' নাটৰ স্ত্ৰী-চৰিত্ৰকেইটিৰ বিশ্লেষণ কৰা।

(গ) 'ৰুক্মিণী-হৰণ কাব্য'ত অসমৰ গাৰ্হস্থ্য আৰু সমাজ জীৱনৰ চিত্ৰ কিদৰে প্ৰকাশিত হৈছে, আলোচনা কৰা।

## খ—শাখা

## ( লক্ষ্মীনাথ বেজবৰুৱা )

১। তলৰ প্ৰশ্নবোৰৰ অতি চমু উত্তৰ লিখা : ১×১০=১০

(ক) 'আমাৰৈ নেপাহৰিব' গল্পৰ ছোৱালীজনীৰ ঘৰ ক'ত?

(খ) "মোৰ স্বামীৰ হাতৰ বান্ধ মোকলালোঁ।" এই কথাষাৰৰ বক্তা কোন?

(গ) বাগানবাড়ী কি?

(ঘ) 'গীতা' গল্পৰ কয়দীজনৰ প্ৰকৃত নাম কি?

(ঙ) মাধৈমালতীৰ দেউতাক কোন?

(চ) 'সাধুকথাৰ কুঁকি' প্ৰথম কোন চনত প্ৰকাশ হৈছিল?

(ছ) "কবিতা হয় যদি হওক নহয় যদি নহওক বুলি মাজে সময়ে লিখা পদ্যবোৰ গোটাই একে ঠাই কৰি এই কিতাপখন কৰা হ'ল।" ইয়াত কোনখন কিতাপৰ কথা কোৱা হৈছে?

( Turn Over )

(জ) 'উদ্বোধন' কবিতাটিত কঁকালৰ জোৰা ভাঙি কোনে জীউ ল'ব বুলি কৈছে?

(ঝ) "আছে দুটা বলিয়া মাহ।" এই মাহ দুটা কি কি?

(ঞ) 'ধনবৰ আৰু ৰতনী' কোন শ্ৰেণীৰ কবিতা?

২। চমু উত্তৰ লিখা : ২×৫=১০

(ক) 'প্ৰিয়তমাৰ সৌন্দৰ্য্য' কবিতাটিত প্ৰকাশ পোৱা ৰমণ্যাসবাদৰ দুটা বৈশিষ্ট্য লিখা।

(খ) 'ভাৰত উদ্ধাৰ' নিবন্ধটোৰ মতে ভাৰত উদ্ধাৰৰ বাবে প্ৰয়োজন হোৱা দুটা গুণ কি কি?

(গ) 'চোৰ' গল্পত লোকেশ্বৰ বৰুৱাৰ দ্বিতীয় বিবাহৰ পাছত কি কি পৰিৱৰ্তন হৈছিল?

(ঘ) জয়ন্তী কিয় উন্মাদ হৈছিল?

(ঙ) "বাপিৰাম কাই! তুমি মোৰ ববককাইতকৈয়ো বৰ।" কথাষাৰ কোনে, কি প্ৰসংগত কৈছিল?

৩। যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখা : ৫×৪=২০

(ক) 'অৱতাৰ' নিবন্ধটিত উল্লিখিত নিবন্ধটিত উল্লেখ কৰা মতে বৰবৰুৱাৰ পুনৰ অৱতাৰৰ কাৰণসমূহ কি কি?

(খ) 'বীণ-বৰাগী' কবিতাটিত বেজবৰুৱাৰ আশাবাদ কিদৰে প্ৰতিফলিত হৈছে, আলোচনা কৰা।

(গ) পশুপতিয়ে লোকেশ্বৰ বৰুৱাৰ ঘৰলৈ কিয় গৈছিল? পশুপতিয়ে লোকেশ্বৰ বৰুৱাক মৃত্যুমুখৰ পৰা কিদৰে ৰক্ষা কৰিলে, আলোচনা কৰা।

(ঘ) চেনেহীৰ লগত বাবাজীৰ সম্পৰ্ক কিদৰে হ'বলৈ পালে? ইয়াৰ পৰিণতি কি হ'ল?

(ঙ) 'মাধৈমালতী' গল্পত মাধৈমালতীয়ে গল্পকাৰলৈ দিয়া চিঠিখনৰ বক্তব্যখিনি তোমাৰ নিজৰ ভাষাত লিখা।

(চ) 'মালতী' কবিতাটিৰ তাৎপৰ্য বিশ্লেষণ কৰা।

৪। (ক) বেজবৰুৱাৰ গল্পত সংস্কাৰকামী মনোভাৱ কিদৰে প্ৰকাশ পাইছে, তোমাৰ পাঠ্য গল্পসমূহৰ আধাৰত আলোচনা কৰা। ১০

অথবা

(খ) "লক্ষ্মীনাথ বেজবৰুৱাই পাশ্চাত্যৰ প্ৰভাৱত আধুনিক চুটিগল্প ৰচনাত প্ৰবৃত্ত হৈছিল, যদিও বেজবৰুৱাৰ প্ৰথম পৰ্যায়ৰ সৰহ সংখ্যক গল্পই আছিল প্ৰাচীন সাধুকথাৰ পেট ফালি ওলোৱা।" 'সাধুকথাৰ কুঁকি'ৰ পাঠ্য গল্পসমূহৰ আধাৰত এই মন্তব্যৰ যুক্তিযুক্ততা বিচাৰ কৰা। ১০